**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-10-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। বহুমুখী সংযোগ সাধনৰ বাবে প্ৰধানমন্ত্ৰী গতি শক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই আজি ৪ বছৰ সম্পূৰ্ণ কৰিছে।

২। নিৰ্বাচন আয়োগে বিহাৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। আয়োগে ৭ খন ৰাজ্যৰ ৮ খন বিধানসভা আসনৰ উপ-নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰিছে।

৩। ৰে'লৰে সুৰক্ষা বাহিনী আৰ পি এফত এতিয়াৰেপৰা প্ৰতি বছৰে কৰ্মচাৰী চয়ন আয়োগে নিযুক্তি পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে।

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ আজি অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব।

আৰু

৫। চলিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত কালি ৱেষ্ট ইণ্ডিজে দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৭৩ ৰানৰ পৰা আজি নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিছে।

০০০০০০০

বহুমুখী সংযোগ সাধনৰ বাবে প্ৰধানমন্ত্ৰী গতি শক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাই আজি ৪ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনৰ ১৩ অক্টোবৰত ভিন্ন অৰ্থনৈতিক মণ্ডলত বহুমুখী আন্তঃগাঁথনিমূলক সংযোগ গঢ়ি তোলাৰ বাবে এই পৰিকল্পনা মুকলি কৰিছিল। এই পদক্ষেপৰ অধীনত পৰিবহণৰ বিভিন্ন মাধ্যমৰ জৰিয়তে দেশৰ সকলো প্ৰান্তৰ জনসাধাৰণক সুচল আৰু কাৰ্যকৰী সংযোগ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ফলত প্ৰান্তীয় অঞ্চলত বাস কৰা লোকসকলৰ পৰিবহণৰ সময় হ্ৰাস পোৱাৰ লগতে সেই অঞ্চলসমূহৰ জনসাধাৰণৰ সৈতে যোগাযোগ সুচল হৈ উঠিছে। প্ৰধানমন্ত্ৰীৰ গতিশক্তি অভিযানে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগক সমন্বিত কৰি আন্তঃগাঁথনি উন্নয়ন ব্যৱস্থা সংহত কৰি তুলিছে। ইয়াৰ ফলত প্ৰকল্পসমূহ ৰূপায়ণত সুবিধা হৈছে। প্ৰধানমন্ত্ৰী গতিশক্তিয়ে ৫৭ টা মন্ত্ৰালয়ৰ উপৰি ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত একেখন ডিজিটেল মঞ্চত উপনীত কৰাইছে।

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে প্ৰধানমন্ত্ৰীৰ গতি শক্তি পৰিকল্পনাই চৰকাৰৰ সৰ্বাত্মক দৃষ্টিভংগীৰে দেশৰ আন্তঃগাঁথনি উন্নয়নৰ পৰিকল্পনাত ৰূপায়ণ সাধন কৰিছে। সামাজিক মাধ্যমত শ্ৰী গোৱেলে এই বিষয়ে উল্লেখ কৰি কয়, যে চাৰি বছৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে শুভাৰম্ভ কৰা এই পদক্ষেপ দেশৰ আন্তঃগাঁথনি খণ্ডৰ পট পৰিৱৰ্তনকাৰী হিচাপে পৰিগণিত হৈছে। দেশৰ সকলো অংশলৈ বয়-বস্তুৰ সৰবৰাহ আৰু যাতায়াত সুচল হোৱাৰ পৰিপ্ৰেক্ষিতত ই বিকশিত ভাৰতৰ যাত্ৰাত অৰিহণা যোগাইছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

নির্বাচন আয়োগে বিহাৰৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। ইয়াৰ লগে লগে ৰাজ্যখনৰ ২০ খন জিলাৰ ১২২ টা বিধানসভা সমষ্টিত মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। দ্বিতীয় পৰ্যায়ত অহা ২০ অক্টোবৰ, মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ২১ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২৩ অক্টোবৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। এই পৰ্যায়ৰ বাবে ১১ নৱেম্বৰ ভোটগ্ৰহণ কৰা হ'ব। দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰিব পাৰিব। নিৰ্বাচন আয়োগে মনোনয়ন দাখিল প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পূৰ্ণ কৰাৰ বাবে নিৰ্ধাৰিত কেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ২৪৩ জনীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ দুয়োটা পৰ্যায়ৰ ভোটগণনা ১৪ নৱেম্বৰত অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত ৭ কোটি ৪২ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ত পশ্চিম চম্পাৰণ, পূব চম্পাৰণ, সীতামাৰ্হি, মধুবনী, পূৰ্ণিয়া, শ্বেওহৰ, ছুপাউল, আৰাৰিয়া, কিষাণগঞ্জ আৰু কাটিহাৰকে ধৰি ২০ জিলাত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০০০

নিৰ্বাচন আয়োগে ৭ খন ৰাজ্যৰ ৮ খন বিধানসভা আসনৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। এই বিধানসভা সমষ্টিকেইটা হৈছে জম্মু আৰু কাশ্মীৰৰ বুদগাম আৰু নাগ্ৰোতা, ৰাজস্থানৰ আণ্টা, ঝাৰখণ্ডৰ ভাটছিলা, তেলেংগানাৰ জুবিলি হিল্ছ, পাঞ্জাবৰ তৰ্ণ তাৰান, মিজোৰামৰ ডাম্পা আৰু ওড়িশাৰ নোৱাপাড়া। জম্মু-কাশ্মীৰ আৰু ওড়িশাৰ আসনকেইখনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ২০ অক্টোবৰ ধাৰ্য কৰা হৈছে। একেদৰে ঝাৰখণ্ড, মিজোৰাম, পঞ্জাব, তেলেংগানা আৰু ৰাজস্থানৰ আসনকেইখনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন ২১ অক্টোবৰ ধাৰ্য কৰা হৈছে। এই আসনকেইখনৰ বাবে ১১ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৪ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০০০০০

———ৰে'লৰে সুৰক্ষা বাহিনী আৰ পি এফত এতিয়াৰেপৰা প্ৰতি বছৰে কৰ্মচাৰী চয়ন আয়োগে নিযুক্তি পৰীক্ষাৰ ব্যৱস্থা কৰিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে ৰে'লৰে সুৰক্ষা বাহিনীক আধুনিক প্ৰযুক্তিৰে উন্নত কৰাৰ বাবে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ বিষয়ে সদৰি কৰে। গুজৰাটত আজি আৰ পি এফৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে শীঘ্ৰেই আৰ পি এফৰ জোৱানসকলক উন্নত প্ৰযুক্তিৰ ভি এইচ এফ ছেট প্ৰদানৰ লগতে উন্নত ডিজিটেল প্ৰযুক্তি আৰু ড্ৰোণ চালনাৰ প্ৰশিক্ষণ দিয়া হ'ব। নিম্ন আয়ৰ লোকসকলৰ বাবে ভাৰতীয় ৰে'লৱেই গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয়, যে দীপাৱলী আৰু ষটপূজাৰ সময়ছোৱাত যাত্ৰীৰ চাহিদা পূৰণ কৰিব পৰাকৈ ১২ হাজাৰ বিশেষ ৰে'লগাড়ী চলাচল কৰোৱা হ'ব। যোৱা ১১ বছৰত ভাৰতীয় ৰে'লৱেৰ ৰূপান্তৰ আৰু প্ৰগতিৰ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে ৩৫ হাজাৰ কিলোমিটাৰ নতুন ৰে'লপথ নিৰ্মাণ কৰাৰ উপৰি ৯৯ শতাংশ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে। তদুপৰি চৰকাৰে ৰে'ল ষ্টেচনৰ পুনৰ উন্নতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা দ্ৰুত গতিত কাৰ্যকৰী হৈছে আৰু ৭ হাজাৰ ৩০০ টা ষ্টেচনৰ উন্নীতকৰণৰ পৰিকল্পনা লোৱা হৈছে। ইয়াৰে ১১০ টাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি শ্ৰী বৈষ্ণৱে জানিবলৈ দিয়ে। ৰে'ল মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত আৰ পি এফৰ কুচকাৱাজ প্ৰত্যক্ষ কৰাৰ লগতে ৪০ জন জোৱানক উৎকৃষ্ট সেৱাৰ বাবে পুৰস্কাৰ প্ৰদান কৰে।

০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ যুটীয়া সামৰিক অনুশীলন অষ্ট্ৰাহিন্দ-২০২৫ৰ চতুৰ্থ সংস্কৰণ আজি অষ্ট্ৰেলিয়াৰ পাৰ্থত আৰম্ভ হ'ব। ভাৰতীয় সেনা বাহিনীৰ এটা ১২০ জনীয়া দল এই অনুশীলনত অংশ লোৱাৰ বাবে অষ্ট্ৰেলিয়াত উপস্থিত হৈছে। কেনবেৰাস্থিত ভাৰতীয় উচ্চ আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই অনুশীলনে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ বাবে পাৰস্পৰিক আস্থা আৰু সমন্বয়ৰ মনোভাৱ দৃঢ় কৰি তুলিব। গোৰ্খা ৰাইফলছৰ এটা বেটেলিয়ন আৰু সেনাবাহিনীৰ অন্য শাখাৰ সৈনিকে এই দলৰ নেতৃত্ব বহন কৰিছে। সামৰিক সহযোগিতাৰ লগতে আন্তঃসঞ্চালন সামৰ্থ বৃদ্ধিয়েই এই অনুশীলনৰ মূল উদ্দেশ্য বুলি প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। ইয়াৰ উপৰি এই অনুশীলনত অংশগ্ৰহণ কৰা সৈনিকসকলক নগৰীয় বা উপ-নগৰীয় এলেকাত যুদ্ধৰ ৰণ-নীতি, প্ৰযুক্তি আৰু কৌশলৰ আদান-প্ৰদানৰ বাবে এখন মঞ্চ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী এলবনিজ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লেৰ সৈতে বিগত সপ্তাহত দুয়োখন ৰাষ্ট্ৰ মাজত প্ৰতিৰক্ষা বৃদ্ধি সন্দৰ্ভত আলোচনাত মিলিত হৈছিল। দুয়ো ৰাষ্ট্ৰই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আঞ্চলিক সুৰক্ষা বৃদ্ধি আৰু নীতি আধাৰিত আন্তঃৰাষ্ট্ৰীয় নিৰ্দেশনাৰ পোষকতা কৰিছিল।

oooooooo

দিল্লীৰ ৰাউজ এৱিনিউ আদালতে ৰাষ্ট্ৰীয় জনতা দল আৰ জে ডিৰ সভাপতি লালু প্ৰসাদ, তেওঁৰ পত্নী ৰাৱৰী দেৱী, পুত্ৰ-তেজস্বী য়াদৱ তথা গান কেইবাগৰাকীৰ বিৰুদ্ধে আই আৰ চি টি চি দুৰ্নীতিৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত কেইবাটাও ফৌজদাৰী গোচৰ ৰুজু কৰিছে। আদালতে, তিনিও গৰাকীৰ বিৰুদ্ধে দুৰ্নীতি, অপৰাধমূলক ষড়যন্ত্ৰ আৰু প্ৰতাৰণাৰ গোচৰ তৰে। অভিযুক্তসকলে নিজকে নিৰপৰাধী হিচাপে দাবী কৰাৰ পৰিপ্ৰেক্ষিতত বিচাৰ প্ৰক্ৰিয়া অচিৰেই আৰম্ভ হ'ব। কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো চি বি আইৰ অভিযোগ অনুসৰি ২০০৪-ৰ পৰা ২০০৯ লৈ লালু প্ৰসাদ য়াদৱ ৰে'লমন্ত্ৰী হৈ থকা কালছোৱাত মন্ত্ৰীগৰাকী আৰু তেওঁৰ পৰিয়ালে এখন ব্যক্তিগত ফাৰ্মক ঠিকা দিয়াৰ বিনিময়ত উপঢৌকন হিচাপে ভূমি গ্ৰহণ কৰিছিল। তদুপৰি এটা বিশেষ সংস্থাক ৰাঁচী আৰু পুৰীৰ দুখন আই আৰ চি টি চি হোটেল একেই প্ৰক্ৰিয়াৰে লীজত দিয়া বুলিও পৰিয়ালটোৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে।

ooooooooo

সমাপ্ত